**অসম বিধানসভা**

**তৰাবিহীন প্ৰশ্ন নং :- ১১৯**

**উত্তৰৰ তাৰিখ :-০৮/০৭/২০২৬**

বিষয় : নতুনকৈ উন্নয়ন খণ্ড গঠন কৰাৰ বাবে

শ্ৰীভবেশ কলিতা :

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

৩১ নং ৰঙিয়া বিধান সভা সমষ্টিত ২৫ খন গাঁও পঞ্চায়তৰ ভিতৰত মাত্ৰ ১ টা উন্নয়ন খণ্ড আছে। উক্ত সমষ্টিত অন্য এটি উন্নয়ন খণ্ড গঠনৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত বিভাগে কি ব্যৱস্থা হাতত লৈছে?

উত্তৰ :-

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব:

জিলা সমূহৰ পৰা পোৱা প্ৰস্তাৱৰ ভিত্তিত পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগে সন্মানীয় কেবিনেটৰ অনুমোদন মৰ্মে উন্নয়ন খণ্ড সমূহৰ ২০২৪ চনত পুনৰগঠন কৰা হৈছিল। ৰঙিয়া সমষ্টিত আৰু এটা নতুন উন্নয়ন খণ্ড গঠনৰ কোনো প্ৰস্তাৱ বিভাগৰ বিবেচনাধীন হৈ থকা নাই। পৰৱৰ্তী সময়ত নতুনকৈ এই সন্দৰ্ভত প্ৰস্তাৱ পালে বিভাগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব।

********************